# জাপানৰ প্ৰধান মন্ত্ৰীৰ জানুৱাৰী ২৫ তাৰিখৰ পৰা জানুৱাৰী ২৭ তাৰিখ ২০১৪ লৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমণ ।

জানুৱাৰি ২২ ,২০১৪

ভাৰৰ প্ৰধান মন্ত্ৰী ড: মনমোহন সিঙৰ আমন্ত্ৰন ক্ৰমে  জাপানৰ প্ৰধান মন্ত্ৰী মহামান্য শ্বিনজো এবে ২৫ জানুৱাৰী ২০১৪ ৰ পৰা ২৭ জানুৱাৰী ২০১৪ লৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমন কাৰ্য্যসূচী লৈ আহিব ।প্ৰধান মন্ত্ৰী গৰাকীয়ে ভাৰতৰ গণৰাজ্য দিৱস উদযা্পন সমাৰোহৰ মূখ্য অথিতিৰ স্থান বিভুষিত কৰিব ।

প্ৰধান মন্ত্ৰী এবেয়ে প্ৰধান মন্ত্ৰী ড:মনমোহন সিঙক ভাৰত আৰু জাপানৰ মাজত অনুষ্ঠিত হবলগীয়া বাৰ্ষিক অধিবেশনৰ প্ৰসংগতো সাক্ষাৎ কৰিব ।তেওঁলোকৰ  মাজৰ আলোচনাই ভাৰত আৰু জাপাৰ মাজত থকা ৰণকৌশল আৰু গোলকীয় অংশীদাৰিত্বৰ সন্দৰ্ভত অতিৰিক্ত বিষয় আৰু তথ্য যোগ কৰিব । ভ্ৰমণকাৰি প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাষ্ট্ৰপতি প্ৰণৱ মূৰ্খাজীক সাক্ষাৎ কৰাৰ উপৰিও ২৬ জানুৱাৰী ২০১৪ তাৰিখে গণৰাজ্য দিৱসৰ পেৰেডো উপভোগ কৰিব ।

প্ৰধান মন্ত্ৰী এবেক তেওঁৰ পত্নী শ্ৰীমতী আকি এবেয়ে সহযোগিতা কৰিব ।

নতুন দিল্লী

জানুৱাৰী ২২,২০১৪